# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 29-06-2024
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*
**- - - - - - - - - - - - - - - - - - - - -**

অসমত ২০২৩-২৪ বৰ্ষত ৭ হাজাৰ ২৭৪ গৰাকী এইচ আই ভি পজিটিভ লোক চিনাক্ত হৈছে। আনহাতে চিনাক্ত হোৱা লোকসকলৰ ভিতৰত বেজীৰে মাদক দ্ৰব্য গ্ৰহণ কৰা লোক প্ৰায় ৬৫ শতাংশ বুলি প্ৰকাশ কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এই বিষয়ে প্ৰকাশ কৰি কয় যে, অসম চৰকাৰে ৰাজ্যখনক মাদক দ্ৰব্য মুক্ত কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। তেওঁ কয় যে, মাদক দ্ৰব্য গ্ৰহণৰ ফলতে মুঠ এইচ আই ভি পজিটিভ চিনাক্ত লোকৰ ৬৫ শতাংশ আক্ৰান্ত হোৱাটো উদ্বেগজনক বিষয়। ৰাজ্য চৰকাৰে অসম আৰক্ষীৰ সহযোগত ৰাজ্যখনৰ পৰা মাদক দ্ৰব্য সৰবৰাহ আৰু যুৱ প্ৰজন্মৰ মাজত মাদক দ্ৰব্যৰ প্ৰতি আসক্তি হ্ৰাস কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে যোৱা বছৰত সৰ্বভাৰতীয় পৰ্যায়ত এইচ আই ভিত আক্ৰান্ত হৈ ৩৫ হাজাৰ ৮৬৬ জন লোকৰ মৃত্যু হোৱাৰ বিপৰীতে অসমত ৩৩৭ জন লোকৰ এই ৰোগৰ ফলত মৃত্যু হৈছিল। আনহাতে যোৱা বছৰলৈকে লাভ কৰা তথ্য অনুসৰি ৰাজ্যখনত ৩২ হাজাৰৰো অধিক লোকৰ দেহত এইচ আই ভি পজিটিভ থকাটো চিনাক্ত হৈছে। সৰ্বভাৰতীয় পৰ্যায়ত এই সংখ্যা ২৫ লাখ ৪৪ হাজাৰ ৩৬৪ বুলি পৰিসংখ্যাত প্ৰকাশ পাইছে।

ooooo

ৰাজ্যখনৰ বান পৰিস্থিতি প্ৰায় সুস্থিৰ হৈছে যদিও ৫খন জিলাৰ ৩৮৩ খন গাঁৱৰ ৪১ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। ১২৯টা আশ্ৰয় শিবিৰত ১৪ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। ইয়াৰ ভিতৰত কৰিমগঞ্জ জিলাত স্থাপন কৰা সৰ্বাধিক ১০৩টা আশ্ৰয় শিবিৰত ১৩ হাজাৰৰো অধিক লোক আশ্ৰয় লৈ আছে। কৰিমগঞ্জৰ উপৰি কামৰূপ, ধেমাজি, কাছাৰ আৰু বৰপেটা জিলাত বিভিন্ন অঞ্চল প্লাবিত হৈ আছে। এই বানত প্ৰায় ৮৫ হাজাৰ পশুধনৰ ক্ষতি হৈছে।

তিনিচুকীয়া জিলাত বিগত কেইবাদিনো ধৰি ধাৰাসাৰ বৰষুণৰ ফলত নৈ-উপ নৈ সমূহৰ জলস্তৰ বৃদ্ধি পাইছে। ডিব্ৰু নৈৰ বাঢ়নী পানীয়ে জিলাখনৰ কেইবাটাও অঞ্চল প্লাবিত কৰিছে। ইফালে ব্ৰহ্মপুত্ৰ আৰু ন-দিহিং নৈৰ পানী বাঢ়ি অহাৰ ফলত বহু অঞ্চলত খহনীয়াৰ সমস্যা দেখা দিছে। জিলাখনৰ গুইজানৰ সমীপৰ নতুন গাঁও বাঢ়নী পানীৰে বুৰাই পেলোৱা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। ধাৰাসাৰ বৰষুণ আৰু বাঢ়নী পানীৰ মাজতে ওদালগুৰি জিলাত বনৰীয়া হাতীৰ উপদ্ৰৱে জনসাধাৰণক আহুকালত পেলাইছে।

ooooo

অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি চৰাইদেউ জিলা ভ্ৰমণ কৰে। মন্ত্ৰীগৰাকীয়ে জিলাখনত উপস্থিত হৈ আয়ুক্তৰ কাৰ্যালয়ত খাদ্য, ৰাজহুৱা বিতৰণ, গ্ৰাহক পৰিক্ৰমা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ শীৰ্ষ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী যোগেন মহন, বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ,

জিলাখনৰ আয়ুক্ত নিবেদন দাস পাটোৱাৰীৰ লগতে বিভিন্ন বিভাগৰ কেইবাগৰাকীও শীৰ্ষ বিষয়ববীয়া উপস্থিত থাকে।

০০০০০

তিনিচুকীয়া জিলাৰ অধীনৰ উপ জিলাসমূহৰ গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰাৰ উদ্দেশ্যে আজি জিলাখনৰ আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়ক ভাস্কৰ শৰ্মা, ৰূপেশ গোৱালা আৰু জিলাখনৰ আয়ুক্ত স্বপ্নীল পাল উপস্থিত থাকে। উপ জিলাৰ কাৰ্যকৰীকৰণে জিলাখনৰ প্ৰশাসনিক আৰু আনুষংগিক কামসমূহ সূচল কৰি তুলিব বুলি আশা কৰা হৈছে। মন্ত্ৰী শ্ৰীকিষাণে আজি জিলাসমূহৰ উন্নয়নৰ সৈতে জড়িত বিষয় সন্দৰ্ভত কেতবোৰ দিহা-পৰামৰ্শ আগবঢ়োৱাৰ লগতে জিলা প্ৰশাসনক দায়িত্ব সহকাৰে যাৱতীয় কামসমূহ কৰি যাবলৈ আহ্বান জনায়।

০০০০০

যোৰহাট জিলা প্ৰশাসনে আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে যোৰহাট জিলা দিৱস উদ্‌যাপন কৰিছে। দিৱসৰ প্ৰথম দিনাৰ কাৰ্যসূচী হিচাপে জিলা আয়ুক্ত কাৰ্যালয়ত ৪১গৰাকী বিশিষ্ট ব্যক্তিয়ে ৪১খন পতাকা উত্তোলন কৰে। অনুষ্ঠানত জিলা আয়ুক্তগৰাকীয়ে জিলাবাসীক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে ৰাইজৰ সহায়-সহযোগিতাৰ বাবে ধন্যবাদ জনায়। জিলা দিৱসৰ সৈতে সংগতি ৰাখি এই অনুষ্ঠানত জিলাখনক যক্ষ্মা ৰোগ মুক্ত কৰাৰ লক্ষ্যৰে **মৰমৰ যোৰহাটৰ** অধীনত বিশেষ স্বাক্ষৰ অভিযানৰ লগতে হাতত প্ৰাচীৰ পত্ৰিকা উন্মোচন আৰু গ্ৰন্থ দান কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

০০০০০

চাহপাতৰ গুণগত মান পৰীক্ষা কৰিবলৈ ৰাজ্য চৰকাৰৰ উদ্যোগত আজি প্ৰথমখন ভ্ৰাম্যমাণ পৰীক্ষণ বাহন মুকলি কৰা হয়। উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই চৰাইদেও জিলাৰ মথুৰাপুৰ চাহ বাগিচাত এই পৰীক্ষণ বাহন আনুষ্ঠানিকভাৱে মুকলি কৰে। কৃষি বিভাগৰ তৰফৰ জনোৱা মতে এই বাহনখনে কৃষকক কেইবাটাও দিশত লাভান্বিত কৰিব। এই পৰীক্ষণৰ সুবিধাই ভাৰতৰ খাদ্য সুৰক্ষা আৰু মানক কৰ্তৃপক্ষই নিৰ্ধাৰণ কৰি দিয়া বিধি ১০০ শতাংশ মানি চলাটো নিশ্চিত কৰিব। দ্বিতীয়তে সেউজীয়া চাহপাত আৰু প্ৰস্তুত কৰা চাহৰ উচিত মূল্য লাভত সহায়ক হ'ব। পৰীক্ষণ বাহনখনে অসমৰ চাহৰ ৰপ্তানি বৃদ্ধিতো সহায় কৰিব বুলি আশা কৰা হৈছে।

০০০০০

জনসাধাৰণৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি জিলা স্বাস্থ্য বিভাগে মাজুলিৰ বিভিন্ন প্ৰান্তত বিষাক্ত কাঠফুলা, সৰ্পদৰ্শন, ৰেবিচ আৰু লেপ্টোস্পাইৰচিছ সন্দৰ্ভত সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। জিলা প্ৰশাসনে আজি কমলাবাৰী, ধূনাগুৰি ঘাট, বৰদোৱা, মিচামৰা, আউনীআটিত মাইক যোগে বিষাক্ত কাঠফুলা, সৰ্পদৰ্শন, ৰেবিচ আৰু লেপ্টোস্পাইৰচিছ সন্দৰ্ভত জনসাধাৰণক সজাগ কৰাৰ প্ৰচেষ্টা গ্ৰহণ কৰাৰ লগতে প্ৰচাৰ পত্ৰিকা বিতৰণ কৰে। ইপিনে, শ্ৰীলোহিত উচ্চ মাধ্যমিক বিদ্যালয়তো সৰ্পদৰ্শন আৰু ল'বলগীয়া সাৱধানতা শীৰ্ষক এখন সজাগতামূলক সভা অনুষ্ঠিত হয়।

০০০০০

সমাপ্ত